# অসম আদিত্য

৪ ভাদ, ১৯৪৭ শক ■ বুধবাৰ, ১০ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Wednesday, September 10, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## কানৈ কলেজত শিক্ষাৰ্থীৰ কেৰিয়াৰ বিষয়ক অনুষ্ঠান




**ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ ছেপ্তেম্বৰ ঃ** কেৰিয়াৰ এখন বিমানৰ দৰে— উৰণ ল'বলৈ শিক্ষা আৰু দক্ষতাৰ দৃঢ় ৰানৱে লাগে, সঠিক দিশত আগবাঢ়িবলৈ পথ লাগে, আৰু ওপৰৰ উচ্চতালৈ উৰা মাৰিবলৈ সাহস লাগে। কেৰিয়াৰ কাউঞ্চেলৰ আৰু ছ'ফট-স্কিল প্ৰশিক্ষক মেঘনা কৌশিকে আজি এইদৰে কয়। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্ত শাসিত) গণ-সংযোগ, কম্পিউটাৰ ছায়েঞ্চ, জৈৱ প্ৰযুক্তি বিভাগ, ৰুক্মিণীদেৱী কানৈ ছাত্ৰীনিৱাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ কেৰিয়াৰ কাউঞ্চেলিঙৰ যৌথ উদ্যোগত আয়োজন কৰা 'শিক্ষাৰ্থীৰ বিকাশ আৰু কেৰিয়াৰ প্ৰস্তুতি কাৰ্যসূচীত সমলব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কৌশিকে কয়— শিক্ষা কেতিয়াও সীমাৰ ভিতৰত বন্দী হ'ব নালাগে। সাংবাদিকতা আৰু গণসংযোগ বিভাগৰ অধ্যাপিকা লুনাৰাণী গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত কৌশিকে কয়— প্ৰেৰণা আৰু নিচা নাথাকিলে কেৰিয়াৰৰ একো মূল্য নাথাকে। একেলগে স্বাস্থ্যকৰ মানসিকতা আৰু গ্ৰহণযোগ্যতাই কেৰিয়াক সফলতালৈ ধাৱিত কৰে। অনুষ্ঠানত বিভাগৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ৰুক্মিণীদেৱী কানৈ ছাত্ৰীনিৱাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ আৱাসীসকল উপস্থিত থাকে। মনকৰিবলগীয়া যে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) জৈৱ-প্ৰযুক্তি বিভাগৰ উদ্যোগত ৬ ছেপ্তেম্বৰত মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। জৈৱ-প্ৰযুক্তি বিভাগৰ মুৰব্বী অতনু কোঁৱৰৰ আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ ৰূপামণি ঠাকুৰ। ড০ ঠাকুৰে 'Electron Transport Chain and Oxidative Phosphorylation' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি Electron Transport Chain and Oxidative Phosphorylation-ৰ ভূমিকা ব্যাখ্যা কৰে। তেওঁ কয়— কাৰ্বহাইড্ৰেট আৰু প্ৰ'টিন মেটাব'লিজিমৰ পৰা ইলেকট্ৰ'ন ট্ৰাঞ্চপৰ্ট চেইনলৈ ইলেকট্ৰ'ন কেনেদৰে আহে সেই বিষয়ে বিশদ ব্যাখ্যা আগবঢ়ায়। আৰু ইলেকট্ৰ'ন ট্ৰাঞ্চপ'ৰ্ট চেইনে গঠন কৰা প্ৰ'টিন গ্ৰেডিয়েণ্ট এটিপি ছিন্থেজৰ সহায়ত ব্যৱহাৰ কৰি এডিপিৰ পৰা এটিপি উৎপাদন কৰাৰ প্ৰক্ৰিয়াৰ বিষয়েও জনায়। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগতঅধ্যক্ষগৰাকীয়ে জৈৱ-প্ৰযুক্তিৰ ন ন উপযোগিতাৰ বিষয়ে ব্যাখ্যা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক চাকৰিকেন্দ্ৰিক নহৈ জৈৱ-প্ৰযুক্তিৰ শিক্ষা লৈ নিজকে আত্ম স্বাৱলম্বী হ'বলৈ উৎসাহ যোগায়। অনুষ্ঠানত সমলব্যক্তি ড০ ঠাকুৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক প্ৰশ্নোত্তৰ শিতানতো অংশগ্ৰহণ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, জৈৱ-প্ৰযুক্তি বিভাগৰ অধ্যাপক সঞ্জীৱ সন্দিকৈৰ লগতে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

---

হিচাপতকৈ ২৭ টা অতিৰিক্ত

## দেশৰ নতুন



নতুন দি... পঞ্চদশ উ... পন্নুস্বামী... সংসদীয় গ... কেইবাটাও... সাংসদেই... একত্ৰিত... ১০১ টা ... ১০ বজাৰ ... হিচাপে ৰে... গতিবে...

ঘৰত অগ্নিসংযোগ ঃ সংসদত প্ৰ...

## নৈৰাজ্য ঃ প্ৰধা...

...ঠমাণ্ডু, ৯ ছেপ্টেম্বৰ ঃ তৃতীয়খন এছীয় ৰাষ্ট্ৰত গণবিক্ষোভৰ আৱশ্যম্ভাৱী ...ৰিণতি হৈ পৰিল গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰৰ পতন। ছ'চিয়েল মিডিয়া ...যিদ্ধকৰণৰ ফলশ্ৰুতিত আজি পদত্যাগ কৰিবলগীয়া হ'ল নেপালৰ বৰ্ষীয়ান ...ধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে। গণতন্ত্ৰৰ ৩৬০ ডিগ্ৰী পৰিৱৰ্তনৰ ৬ পৃষ্ঠাত

### বিত্তমন্ত্ৰীক টঙনিয়ালে প্ৰতিবাদীয়ে

## হিন্দুৰাষ্ট্ৰৰ দাবী তুংগত

...ঠমাণ্ডু, ৯ ছেপ্টেম্বৰ ঃ প্ৰধানমন্ত্ৰীৰ ঘৰেই জ্বলাই দিলে ছাত্ৰ বিদ্ৰোহীয়ে ...চিয়েল মিডিয়াৰ প্ৰতিবন্ধক প্ৰত্যাহাৰৰ পিছতো অসন্তুষ্ট প্ৰতিবাদীয়ে ... শৰ্মা অলিৰ ঘৰত জুই লগাই দিলে। তদুপৰি বিত্তমন্ত্ৰীও হৈ পৰিল বিদ্ৰোহী...

---

## ঋতেশ্বৰ বুঢ়াগোহাঁইক স...

**প্ৰতিবেদক, খোৱাং, ৯ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱসৰ পৱিত্ৰ দিন... সমজিলাৰ আয়ুক্ত জয়ন্ত চাৰণ আৰু সহকাৰী আয়ুক্তা সুপ্ৰিয়া... খোৱাং সমজিলা প্ৰশাসনৰ তৰফৰ পৰা কৃতী শিক্ষকৰ বঁটা... বুঢ়াগোহাঁইক সম্বৰ্ধনা জ্ঞাপন কৰে। পদুমণি সৰুআলি প্ৰাথমি... প্ৰধান শিক্ষকৰ দ্বায়িত্বত অধিষ্ঠিত হৈ থকা অৱস্থাত ২০২... গ্ৰহণ কৰা বুঢ়াগোহাঁয়ে ২০২০ চনত কৃতী শিক্ষকৰ বঁটা ল... বৰ্তমান খোৱাং শাখা সাহিত্য সভাৰ সম্পাদকৰ দায়ি... হৈ থকা বুঢ়াগোহাঁইক সমজিলাৰ আয়ুক্ত কাৰ্যালয়ৰ ফা... এখনি ফুলাম গামোচা আৰু উপহাৰেৰে সম্বৰ্ধনা জ্ঞাপ...

## উষাপুৰত সুধাক...



**বিশেষ প্ৰতিনিধি, দুলীয়াজান, ৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত ডিব্ৰুগড় জিলা লেখিকা সমাৰোহ সমিতিৰ সৌজন্যত আৰু উষাপুৰ শাখা লেখিকা সমাৰোহ সমিতিৰ আতিথ্যত কালি উষাপুৰ ৰংমন বিহুতলীত দিনজোৰা কাৰ্যসূচীৰে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ছাত্ৰ-ছাত্ৰীৰ মাজত কৰি... প্ৰতিযোগি... উদ্বোধন ... ঋতুপৰ্ণা হ... গাঁৱৰ নাম... হাজৰিকা... জ্ঞাপন ক...

## গণশিল্পীলৈ শ্ৰদ্ধাঞ্জ...



**নগৰ প্ৰতিবেদক, ৯ ছেপ্টেম্বৰ ঃ** বিশ্ৰুত গণশিল্পী সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী আজি দিনজোৰা কাৰ্যসূচীৰে মানকটা শাখা সাহিত্য সভাই উদ্‌যাপন কৰে। মানকটা শাখা সাহিত্য সভাৰ ... কুসুম সো... গণশিল্পীগৰাকীৰ প্ৰতিমূ... প্ৰজ্বলন কৰি পুষ্পাঞ্জ... কৰে। ৰাজহুৱা বস্তি ... পিছত আমন্ত্ৰিত তথ...